জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

নং ঃ ৩৭০/২০২০

# প্ৰধানমন্ত্ৰীৰ অৰ্থনৈতিক পেকেজ ৰূপায়ণ সন্দৰ্ভত বেংক কৰ্তৃপক্ষৰ সৈতে মুখ্যমন্ত্ৰীৰ মত-বিনিময়

## অতিক্ষুদ্ৰ, ক্ষুদ্ৰ আৰু মজলীয়া উদ্যোগ তথা অন্যান্য গুৰুত্বপূৰ্ণ খণ্ডসমূহলৈ ঋণৰ প্ৰৱাহ ত্বৰান্বিত কৰাৰ বাবে সুনিৰ্দিষ্ট কৰ্মআঁচনি যুগুতাবলৈ বেংকসমূহক মুখ্যমন্ত্ৰীৰ আহ্বান

### প্ৰধানমন্ত্ৰীৰ অৰ্থনৈতিক পেকেজ ৰূপায়ণ আৰু পৰ্যবেক্ষণৰ বাবে বেংকসমূহৰ প্ৰতিনিধি অন্তৰ্ভুক্তকৰণেৰে ৰাজ্য চৰকাৰে গঠন কৰিব এখন সমিতি

**বৰ্তমানৰ জটিল পৰিস্থিতিত অৰ্থনৈতিক উত্থানৰ বাবে ঘোষিত প্ৰধানমন্ত্ৰীৰ পেকেজ এক ঐতিহাসিক পদক্ষেপ ঃ মুখ্যমন্ত্ৰী**

**দিছপুৰ, ২০ মে'ঃ** ক'ভিড-১৯ৰ সংক্ৰমণ ৰোধৰ বাবে ঘোষিত দেশজোৰা লকডাউনে দুৰ্বল কৰা অৰ্থনীতিৰ পুনৰুদ্ধাৰৰ বাবে প্ৰধানমন্ত্ৰীয়ে ঘোষণা কৰা ২০ লাখ কোটি টকাৰ আৰ্থিক পেকেজৰ পৰিপ্ৰেক্ষিতত ৰাজ্যখনৰ অতিক্ষুদ্ৰ, ক্ষুদ্ৰ আৰু মজলীয়া উদ্যোগসমূহ তথা অন্যান্য গুৰুত্বপূৰ্ণ খণ্ডসমূহলৈ ঋণৰ প্ৰৱাহ বৃদ্ধি কৰাৰ বাবে সুনিৰ্দিষ্ট কৰ্মআঁচনি প্ৰস্তুত কৰিবলৈ মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে ৰাজহুৱা আৰু ব্যক্তিগত খণ্ডৰ বেংকসমূহক আহ্বান জনাইছে। আজি অসম প্ৰশাসনীয় পদাধিকাৰী মহাবিদ্যালয়ত ৰাজ্য চৰকাৰৰ উদ্যোগত আয়োজিত ৰাজ্যিক পৰ্যায়ৰ বেংকাৰ্ছ সমিতিৰ বিশেষ বৈঠকত অংশগ্ৰহণ কৰি মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে এই আহ্বান জনায়।

বৈঠকত মুখ্যমন্ত্ৰী সোণোৱালে কয় যে এই অৰ্থনৈতিক পেকেজৰ ৰূপায়ণ আৰু পৰ্যবেক্ষণৰ বাবে ৰাজ্য চৰকাৰে এখন সমিতি গঠন কৰিব য'ত বেংকসমূহৰ প্ৰতিনিধিকো অন্তৰ্ভুক্ত কৰা হ'ব। এই দুৰ্যোগত ক্ষতিগ্ৰস্ত সকলো খণ্ডই যাতে এই পেকেজৰ পৰা লাভান্বিত হ'ব পাৰে সেই দিশটোও ৰাজ্য চৰকাৰে নিশ্চিত কৰিব।

প্ৰধানমন্ত্ৰীৰ অৰ্থনৈতিক পেকেজৰ সফল ৰূপায়ণৰ বাবে বেংকসমূহৰ কৰ্মকৰ্তাসকলৰ সৈতে আলোচনাৰ বাবে আয়োজিত আজিৰ বৈঠকত মুখ্যমন্ত্ৰীয়ে কয় যে বৰ্তমানৰ পৰিস্থিতিত অৰ্থনৈতিক উত্থানৰ বাবে ঘোষিত এই পেকেজ এক ঐতিহাসিক পদক্ষেপ আৰু বেংকসমূহে অৰ্থনৈতিক উত্থানৰ দিশত অগ্ৰণী ভূমিকা ল'ব লাগিব।

ৰাজ্যৰ অৰ্থনীতিত অতিক্ষুদ্ৰ, ক্ষুদ্ৰ আৰু মজলীয়া উদ্যোগ খণ্ডৰ গুৰুত্বৰ কথা উল্লেখ কৰি মুখ্যমন্ত্ৰী সোণোৱালে এই সংকটৰ সময়ত উদ্যোগীসকললৈ অধিক হাৰত ঋণৰ সুবিধা আগবঢ়োৱাৰ বাবে বেংকসমূহক আহ্বান জনায়। বজাৰত অধিক নগদ ধনৰ প্ৰবাহ সুনিশ্চিত কৰাৰ বাবে অধিক হাৰত ঋণ মোকলাই দিয়াৰ ক্ষেত্ৰত এক সুনিৰ্দিষ্ট কৰ্ম আঁচনি যুগুতাই উলিয়াবলৈও মুখ্যমন্ত্ৰীয়ে বেংকসমূহক পৰামৰ্শ আগবঢ়ায়।

এই দিশত ইতিবাচক পদক্ষেপ ল'বলৈ আহ্বান জনাই মুখ্যমন্ত্ৰীয়ে ঋণসমূহ সময়মতে পৰিশোধ কৰাটো সুনিশ্চিত কৰাৰ বাবে সংশ্লিষ্ট পক্ষসমূহৰ সৈতে আলোচনাত মিলিত হ'বলৈ বেংক কৰ্তৃপক্ষক পৰামৰ্শ আগবঢ়ায়। তেওঁ লগতে কয় যে ক'ভিড-১৯ অতিমাৰীয়ে অৰ্থনৈতিক খণ্ডত ৰাজ্যখনৰ সবলতা

আৰু দুৰ্বলতাসমূহ চিনাক্তকৰণৰ বাবে এক সুযোগ প্ৰদান কৰিছে আৰু ৰাজ্যৰ অৰ্থনীতিৰ উত্থানৰ দিশত এই অভিজ্ঞতাই এক বিশেষ ভূমিকা গ্ৰহণ কৰিব। প্ৰধানমন্ত্ৰীৰ আৰ্থিক পেকেজে কৃষি আৰু ইয়াৰ আনুসংগিক খণ্ডসমূহলৈ গভীৰ আশা কঢ়িয়াই আনিছে বুলি উল্লেখ কৰি কৃষি আন্তঃগাঁথনি সৃষ্টিৰ দিশত অধিক ধন বিনিয়োগ কৰিবলৈ আৰু কৃষিজাত সামগ্ৰীৰ উৎপাদন, ক্ৰয় তথা বিপণনৰ ক্ষেত্ৰত গুৰুত্ব প্ৰদান কৰিবলৈও মুখ্যমন্ত্ৰীয়ে বেংকসমূহৰ প্ৰতি আহ্বান জনায়।

বৈঠকত ভাষণ প্ৰদান কৰি স্বাস্থ্য, বিত্ত ইত্যাদি বিভাগৰ মন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই সাম্প্ৰতিক আৰ্থিক সংকট প্ৰতিহত কৰাৰ যুঁজত নেতৃত্ব ল'বলৈ তথা 'আত্মনিৰ্ভৰ ভাৰত' আৰু 'আত্মনিৰ্ভৰ অসম'ৰ ধাৰণা বাস্তৱায়িত কৰাৰ দিশত গুৰুত্ব আৰোপ কৰিবলৈ বেংকসমূহৰ প্ৰতি আহ্বান জনায়। আৰ্থিক পেকেজৰ বিভিন্ন দিশৰ বিশ্লেষণ আগবঢ়াই ড° শৰ্মাই কয় যে এতিয়া অতিক্ষুদ্ৰ, ক্ষুদ্ৰ আৰু মজলীয়া উদ্যোগসমূহে কোনো ধৰণৰ বন্ধকী নোহোৱাকৈও ঋণ লাভৰ সুযোগ লাভ কৰিব আৰু সেয়েহে বেংকসমূহেও বজাৰত মূলধনৰ প্ৰৱাহ ত্বৰান্বিত কৰাৰ বাবে অধিক হাৰত ঋণ প্ৰদান কৰিবলৈ আগবাঢ়ি আহিব লাগিব।

কিষাণ ক্ৰেডিট কাৰ্ডৰ অধীনত ঋণ প্ৰদানৰ ক্ষেত্ৰত দুগ্ধ উৎপাদন, গাহৰি পালন আদিকো সামৰি লোৱাৰ ফলত কৃষকসকল বহুলভাৱে উপকৃত হ'ব বুলি উল্লেখ কৰি বিত্তমন্ত্ৰীগৰাকীয়ে এই খণ্ডসমূহৰ বাবেও কিষাণ ক্ৰেডিট কাৰ্ডৰ অধীনত ঋণ আগবঢ়োৱাৰ বাবে নীতি-নিৰ্দেশনা প্ৰস্তুত কৰিবলৈ বেংকসমূহক পৰামৰ্শ আগবঢ়ায়। তেওঁ লগতে কয় যে ঋণদাতা আৰু বেংকাৰসকলে সন্মুখীন হোৱা সমস্যাসমূহৰ সমাধানৰ বাবে চৰকাৰে গঠন কৰিবলগীয়া অৰ্থনৈতিক পেকেজ ৰূপায়ণ পৰ্যবেক্ষণ সমিতিয়ে এক উপযুক্ত মঞ্চ প্ৰদান কৰিব। ড° শৰ্মাই লগতে কয় যে এক স্বতন্ত্ৰ মূল্যায়কৰ প্ৰতিবেদনৰ ভিত্তিত প্ৰধানমন্ত্ৰীৰ আৰ্থিক পেকেজ ৰূপায়ণত উৎকৃষ্ট প্ৰদৰ্শন কৰাৰ স্বীকৃতিস্বৰূপে ৰাজ্য চৰকাৰে বেংকসমূহলৈ তিনিটা বঁটা প্ৰদান কৰিব।

বৈঠকত বেংকিং সংস্থাসমূহক প্ৰতিনিধিত্ব কৰি ভাৰতীয় ষ্টেট বেংকৰ উত্তৰ-পূব চক্ৰৰ মুখ্য মহাপ্ৰবন্ধক সুনীল টেণ্ডন, নাবাৰ্ডৰ মুখ্য মহাপ্ৰবন্ধক এছ এছ সাহা, নৰ্থ ইষ্ট স্মল ফাইনেন্স বেংকৰ পৰিচালন সঞ্চালক তথা মুখ্য কাৰ্যবাহী বিষয়া ৰূপালী কলিতা আৰু বেংক অৱ ইণ্ডিয়া তথা ইণ্ডিয়ান বেংকৰ বিষয়াসকলে প্ৰধানমন্ত্ৰীৰ আৰ্থিক পেকেজৰ ফলপ্ৰসূ ৰূপায়ণৰ বাবে কেতবোৰ গুৰুত্বপূৰ্ণ পৰামৰ্শ আগবঢ়ায়।

আজিৰ বৈঠকত বিত্ত বিভাগৰ প্ৰধান সচিব সমীৰ সিনহাই প্ৰধানমন্ত্ৰীৰ আৰ্থিক পেকেজৰ বিভিন্ন দিশ অৱলোকন কৰি তথা এই পেকেজ ৰূপায়ণৰ ক্ষেত্ৰত বেংকসমূহৰ ভূমিকা ইত্যাদি দিশসমূহ সামৰি এক প্ৰেজেণ্টেশ্যন আগবঢ়ায়।

মুখ্য সচিব কুমাৰ সঞ্জয় কৃষ্ণই আদৰণি ভাষণ প্ৰদান কৰা আজিৰ এই বৈঠকত কৃষি মন্ত্ৰী অতুল বৰা, উদ্যোগ আৰু বাণিজ্য বিভাগৰ মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰী, মুখ্যমন্ত্ৰীৰ আইন উপদেষ্টা শান্তনু ভৰালী, ভাৰতীয় ৰিজাৰ্ভ বেংকৰ আঞ্চলিক সঞ্চালক, ৰাজ্য চৰকাৰৰ জ্যেষ্ঠ বিষয়াসকল আৰু ৰাজহুৱা তথা ব্যক্তিগত খণ্ডৰ বেংকসমূহৰ প্ৰতিনিধিসকলে অংশগ্ৰহণ কৰে। বৈঠকত বিত্ত বিভাগৰ দায়িত্বত থকা অতিৰিক্ত মুখ্য সচিব ৰাজীৱ বৰাই শলাগৰ শৰাই আগবঢ়ায়।

**বীঃগঃ / প্ৰঃকুঃবঃ / বঃভাঃ**
**২০/৫/২০২০**